জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৬৮/২০২৩**

# প্ৰাক্তন ৰাজ্যপাল লেঃ জেনেৰেল অজয় সিঙৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৮ এপ্ৰিল ঃ** অসমৰ প্ৰাক্তন ৰাজ্যপাল লেঃ জেনেৰেল অজয় সিঙৰ বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোকপ্ৰকাশ কৰে।

এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰাক্তন ৰাজ্যপাল লেঃ জেনেৰেল অজয় সিঙে ৰাজ্যখনৰ উন্নয়নত অপৰিসীম অৰিহণা যোগাইছিল। দেশৰ সামৰিক বাহিনীলৈ আগবঢ়োৱা বিশিষ্ট অৰিহণাৰ কথা স্মৰণ কৰি মুখ্যমন্ত্ৰীয়ে ১৯৬৫ আৰু ১৯৭১ চনত যুদ্ধৰ সময়ত তেখেতে লোৱা ভূমিকাক ৰাষ্ট্ৰই সদায় শ্ৰদ্ধাৰে স্মৰণ কৰিব বুলি কয়। তেখেতৰ বিয়োগ এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**সুঃদঃ /পুঃডেঃ**
**১৮/৪/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in